**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-12-2024
**Time :** 1910 Hrs

***Assamese Evening Bulletin***
***Headlines***
-----------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ভূৱনেশ্বৰত সৰ্বভাৰতীয় আৰক্ষী সঞ্চালক প্ৰধান আৰু আৰক্ষী মহা-পৰিদৰ্শকৰ বাৰ্ষিক সন্মিলনৰ অন্তিম দিনা বিভিন্ন সুৰক্ষা সম্পৰ্কীয় গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত আলোচনাত মিলিত হয়।

২। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে সীমান্ত সুৰক্ষা বাহিনীৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে বি এছ এফৰ বিষয়া তথা তেওঁলোকৰ পৰিয়ালবৰ্গলৈ শুভেচ্ছা জ্ঞাপন কৰে।

৩। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি ৰাজা মহেন্দ্ৰ প্ৰতাপ সিং তথা অন্যান্য অখ্যাত বীৰসকলৰ চৰম ত্যাগৰ ভিত্তিত দেশৰ স্বাধীনতাৰ ভেটি গঢ় লৈ উঠিছিল বুলি মত প্ৰকাশ কৰে।

৪। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই এইছ আই ভি ৰোগাক্ৰান্ত লোকৰ প্ৰতি সহমৰ্মিতা প্ৰদৰ্শন কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। ***আৰু***

৫। লক্ষ্ণৌত চলি থকা ছৈয়দ মোদী আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন টুৰ্ণামেণ্টত মহিলাৰ একক শাখাৰ ফাইনেলত পি ৱি সিন্ধুয়ে চীনৰ বু লুও য়ুক পৰাস্ত কৰি খিতাপ অৰ্জন কৰে।

ooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ভূৱনেশ্বৰত চলি থকা সৰ্বভাৰতীয় আৰক্ষী সঞ্চালক প্ৰধান আৰু আৰক্ষী মহা-পৰিদৰ্শকৰ বাৰ্ষিক সন্মিলনৰ অন্তিম দিনা দেশৰ কেন্দ্ৰীয় শাসিত অঞ্চল তথা ৰাজ্যসমূহৰ উদ্বিগ্নতাৰ বিভিন্ন সুৰক্ষা সম্পৰ্কীয় গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত আলোচনাত মিলিত হয়। সন্মিলনত চাইবাৰ ক্ৰাইম, উপকূলীয় অঞ্চলৰ সুৰক্ষা তথা মাওবাদী সন্ত্ৰাসবাদৰ সৈতে মোকাবিলা কৰাকে ধৰি বিভিন্ন বিষয় আলোচনা কৰা হয়। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, গৃহ সচিব গোবিন্দ মোহন, ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভালো সন্মিলনত উপস্থিত থাকে। সন্মিলনত আৰক্ষীৰ জ্যেষ্ঠ বিষয়া তথা বিভিন্ন নিৰাপত্তা সংস্থাৰ মুৰব্বীসকলৰ সৈতে সন্ত্ৰাসবাদী বিৰোধী ৰণকৌশল, ড্ৰোণ আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ লেখিয়া শেহতীয়া প্ৰযুক্তিয়ে অনা প্ৰত্যাহ্বানকে ধৰি ৰাষ্ট্ৰীয় নিৰাপত্তা সম্পৰ্কীয় বিভিন্ন বিষয়ৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত সঠিক পথ অৱলম্বন কৰা সন্দৰ্ভত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। প্ৰধানমন্ত্ৰী তথা প্ৰতিনিধিবৰ্গই আৰক্ষীয়ে কৰ্মক্ষেত্ৰত সন্মুখীন হোৱা আন্তঃগাঁথনিমূলক সমস্যা সন্দৰ্ভতো আলোচনা কৰে। বৈঠকৰ অন্তিম দিনা মাদক দ্ৰব্যৰ দৰে গুৰুত্বপূৰ্ণ বিষয়ো আলোচনা কৰা হয়।

প্ৰধানমন্ত্ৰীগৰাকীয়ে তিনিদিনীয়া ভূৱনেশ্বৰ ভ্ৰমণ সামৰি আজি সন্ধিয়া দিল্লীলৈ ওভতে। ওড়িশাৰ বিজু পাটনায়ক আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত ৰাজ্যপাল ৰঘুবৰ দাস, মুখ্যমন্ত্ৰী মোহন চৰণ মাঝি আৰু কেইবাগৰাকীও বিষয়াই তেওঁক বিদায় সম্ভাষণ জনায়।

ooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নাগালেণ্ডৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্যখনৰ জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতি মুৰ্মুৱে কয়, যে জৈৱ বৈচিত্ৰ্যৰ ঐশ্বৰ্যশালী ঐতিহ্যৰে সমৃদ্ধ নাগালেণ্ড এখন পৰাক্ৰমী ৰাজ্য। বিভিন্ন উন্নয়নমূলক ক্ষেত্ৰত নাগলেণ্ডৰ অগ্ৰগতিৰ প্ৰশংসা কৰি শ্ৰীমুৰ্মুৱে ৰাজ্যখনৰ জনসাধাৰণক শান্তিপূৰ্ণ সমৃদ্ধিশালী আৰু প্ৰগতিশীল ভৱিষ্যতৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে।

উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কয়, যে প্ৰাণৱন্ত সংস্কৃতি আৰু প্ৰকৃতিৰ সৈতে গভীৰ সম্প্ৰীতিৰে নাগালেণ্ড সঁচাকৈয়ে এখন মনোমোহা ৰাজ্য। তেওঁ নাগালেণ্ডক দেশৰ সংস্কৃতি আৰু পৰিবেশগত সম্পদৰ ভঁড়াল বুলি অভিহিত কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰে যে, চহকী সংস্কৃতি আৰু ৰাজ্যখনৰ জনসাধাৰণৰ মনোমোহা প্ৰকৃতিৰ বাবে নাগালেণ্ডখন বহুলভাৱে প্ৰশংসনীয়। তেওঁ লগতে কয়, যে কৰ্তব্য পৰায়ণতা আৰু সহানুভুতিশীলতাৰ বাবে নাগা সংস্কৃতি জনাজাত। ভৱিষ্যতে ৰাজ্যখনৰ উন্নয়ন ত্বৰান্বিত হোৱাৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে সীমান্ত সুৰক্ষা বাহিনীৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে বি এছ্ এফৰ বিষয়া তথা তেওঁলোকৰ পৰিয়ালবৰ্গলৈ  শুভেচ্ছা জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত গৃহমন্ত্ৰীগৰাকীয়ে কয় যে বি এছ্ এফৰ জোৱানসকলে দেশৰ সন্মান তথা লক্ষ্যক সুৰক্ষা দি আহিছে। এই জোৱানসকলে অতি নিষ্ঠাৰে কাম কৰি অহাৰ লগতে দেশৰ বাবে প্ৰাণ আহুতি দিবলৈ কেতিয়াও পিচ হুহকি নাহে বুলিও তেওঁ মত প্ৰকাশ কৰে। তেওঁলোকৰ সাহস আৰু ত্যাগ অনন্ত প্ৰেৰণাৰ উৎস বুলি প্ৰকাশ কৰি তেওঁ কয় যে এই প্ৰেৰণাই দেশপ্ৰেমিকৰ প্ৰজন্মক দেশৰ উন্নয়ন ত্বৰান্বিত কৰাত অৰিহণা যোগাবলৈ উৎসাহিত কৰিছে। দেশৰ বাবে চূড়ান্ত ত্যাগ কৰা সাহসী বীৰসকলৰ প্ৰতি তেওঁ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

০০০

দিল্লী বিজেপিয়ে সমাগত দিল্লী বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি অহা ৮ ডিচেম্বৰত পৰিৱৰ্তন যাত্ৰা মুকলি কৰিব। নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত দিল্লী বিজেপিৰ মুৰব্বী বীৰেন্দ্ৰ সচদেৱে কয়, যে দিল্লীৰ আটাইকেইটা লোকসভা সমষ্টিৰ পৰা একেলগে এই পদযাত্ৰা আৰম্ভ হৈ দৈনিক এটাকৈ ৰাজ্যিক বিধানসভা সমষ্টি সামৰি ল'ব। এই অৱসৰত দলীয় নেতা তথা কৰ্মীসকলে স্থানীয় নাগৰিক, জ্যেষ্ঠ নাগৰিক তথা স্থানীয় সংস্থাসমূহৰ সৈতে মত-বিনিময় কৰি ৰাষ্ট্ৰীয় ৰাজধানীৰ বাসিন্দাসকলৰ অভিলাষ পূৰ কৰাত দিল্লীৰ আপৰ নেতৃত্বৰ চৰকাৰৰ বিফলতাসমূহত আলোকপাত কৰিব। এই যাত্ৰা অহা ২০ ডিচেম্বৰলৈ অব্যাহত থাকিব।

০০০

ভাৰতীয় ইতিহাসৰ গ্ৰন্থসমূহে দেশৰ বীৰসকলৰ সৈতে ন্যায় কৰা নাই বুলি উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি মত প্ৰকাশ কৰে। নতুন দিল্লীত স্বাধীনতা সংগ্ৰামী তথা সমাজ সংস্কাৰক ৰাজা মহেন্দ্ৰ প্ৰতাপৰ ১৩৮ সংখ্যক জয়ন্তী উদযাপন অনুষ্ঠানত সমবেত লোকসকলক সম্বোধন কৰি তেওঁ কয় যে দেশৰ নীতিবোধত এয়া বেথাৰ বিষয়। ৰাজা মহেন্দ্ৰ প্ৰতাপ সিং তথা অন্যান্য অখ্যাত বীৰসকলৰ চৰম ত্যাগৰ ভিত্তিত দেশৰ স্বাধীনতাৰ ভেটি গঢ় লৈ উঠিছিল বুলি তেওঁ কয়। ৰাজা মহেন্দ্ৰ প্ৰতাপ এগৰাকী ৰাজনীতিক, কূটনীতিবিদ, ভৱিষ্যদৰ্শী, জাতীয়তাবাদী আছিল বুলি তেওঁ উল্লেখ কৰে। দেশৰ এনে বীৰসকলক উপেক্ষা কৰি ইতিহাস ৰচিত হোৱা বিষয়টো সন্দৰ্ভত তেওঁ উদ্বিগ্নতা প্ৰকাশ কৰে।

০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই এইছ আই ভি ৰোগাক্ৰান্ত লোকৰ প্ৰতি সহমৰ্মিতা প্ৰদৰ্শন কৰিবলৈ জনসাধাৰণলৈ আহ্বান জনায়। তেওঁ লগতে তেনে লোকসকলৰ মানৱ অধিকাৰৰ সুৰক্ষা প্ৰদান কৰাৰো পোষকতা কৰে। মধ্য প্ৰদেশৰ ইন্দোৰত আয়োজিত বিশ্ব এইডছ্ দিৱসৰ অনুষ্ঠানত শ্ৰীনাড্ডাই ভাষণ প্ৰসঙ্গত এই কথা উল্লেখ কৰে। তেওঁ কয়, যে এইছ্ আই ভি সুৰক্ষা আইন ২০১৭ৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে এই ৰোগাক্ৰান্ত লোকসকলৰ সৈতে হোৱা বৈষম্য দূৰ কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দিকদৰ্শনত চৰকাৰে এইছ্ আই ভিৰ পৰীক্ষা তথা চিকিৎসাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰাৰ পাছত দেশত এই ৰোগত মৃত্যু হোৱা লোকৰ সংখ্যা ৭৯ শতাংশ হ্ৰাস হোৱা বুলি শ্ৰীনাড্ডাই সদৰি কৰে। তদুপৰি দেশত নতুনকৈ সংক্ৰমিত হোৱা লোকৰ সংখ্যাও ৪৪ শতাংশ হ্ৰাস হোৱা বুলি স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। চিকিৎসা ক্ষেত্ৰত দেশৰ উন্নয়নৰ ওপৰত আলোকপাত কৰি তেওঁ কয়, যে ভাৰতত এই ৰোগৰ ফলপ্ৰসূ তথা সুলভ ঔষধ প্ৰস্তুত কৰা হৈছে। দেশত সম্প্ৰতি এইছ্ আই ভিত

আক্ৰান্ত ১৭ লাখ ৩০ হাজাৰ লোকৰ ভিতৰত ৯৫ শতাংশৰ চিকিৎসা অব্যাহত আছে বুলিও তেওঁ প্ৰকাশ কৰে। ২০৩০ চনৰ পূৰ্বে ভাৰত এই ৰোগৰ পৰা মুক্ত হ'ব বুলি শ্ৰীনাড্ডাই আশা প্ৰকাশ কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী ড০ মোহন য়াদৱে সমবেত লোকসকলক ৰোগৰ প্ৰতি ভীতিভাৱ ৰখাৰ পৰিৱৰ্তে ৰোগীৰ প্ৰতি কোনো শংকা নাৰাখিবলৈ আহ্বান জনায়।

০০০

দিল্লী বিজেপিৰ মুৰব্বী বীৰেন্দ্ৰ সচদেৱে গ্ৰেপ্তাৰ হোৱা আপৰ বিধায়ক নৰেশ বাল্যান আৰু কুখ্যাত দুৰ্বৃত্ত কপিল চাংৱান ওৰফে নন্দুৰ মাজত হোৱা বিতৰ্কিত কথা-বতৰা তথা দাবী-ধমকিৰ ঘটনাক লৈ আপৰ আহ্বায়ক অৰবিন্দ কেজৰিৱালক সমালোচনা কৰে। শ্ৰীসচদেৱে কাইলৈ দিল্লী আৰক্ষী আয়ুক্তক সাক্ষাৎ কৰি সত্য প্ৰকাশ পোৱাৰ আশাৰে বিশেষ অনুসন্ধানৰ বাবে অনুৰোধ কৰিব বুলি নতুন দিল্লীত সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। এই সন্দৰ্ভত তেওঁ আৰক্ষী আয়ুক্তক স্মাৰক-পত্ৰও প্ৰদান কৰিব বুলি আকাশবাণী বাতৰি বিভাগৰ আগত প্ৰকাশ কৰে।

০০০

লক্ষ্ণৌত চলি থকা ছৈয়দ মোদী আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন টুৰ্ণামেণ্টত মহিলাৰ একক শাখাৰ ফাইনেলত দুবাৰকৈ অলিম্পিকত পদক লাভ কৰি পি ৱি সিন্ধুয়ে চীনৰ বু লুও য়ুক ২১-১৪, ২১-১৬ ব্যৱধানত পৰাস্ত কৰি খিতাপ অৰ্জন কৰে। প্ৰতিযোগিতাৰ মহিলাৰ দ্বৈত শাখাত ভাৰতীয় যুটি তৃষা জলী আৰু গায়ত্ৰী গোপীচান্দেও খিতাপ অৰ্জন কৰিছে। ভাৰতীয় যুটিটোৱে চীনৰ বাও লী ঝিং আৰু লী কিয়ানক আজি অনুষ্ঠিত ফাইনেলত ২১-১৮, ২১-১১ৰ ব্যৱধানত পৰাস্ত কৰে। পুৰুষৰ একক শাখাৰ চূড়ান্ত খেলত ভাৰতৰ লক্ষ্য সেন আৰু ছিংগাপুৰৰ জিয়া হেং জাচ'ন টেহ মুখামুখি হ'ব। ইপিনে, আজি দিনৰ ভাগত পুৰুষৰ দ্বৈত শাখাৰ ভাৰতীয় যুটী প্ৰুথৱী কৃষ্ণমূৰ্তি ৰয় আৰু ছাই প্ৰতীক তথা মিক্সড ডাবলছৰ টানিছা ক্ৰাষ্টো আৰু ধ্ৰুৱ কাপিলাই ৰাণাৰ্ছ-আপ হিচাপে খেল সামৰে। প্ৰুথৱী আৰু ছাইৰ যুটীটোৱে পুৰুষৰ ডাবল্‌ছৰ ফাইনেলত চীনৰ হুৱাং ডি আৰু লীউ ইয়াঙ যুটীৰ হাতত ১৪-২১, ২১-১৯, ১৭-২১ ব্যৱধানত পৰাস্ত হয়। আনহাতে মিক্সড ডাবলছৰ চূড়ান্ত খেলত ধ্ৰুৱ আৰু টানিছাৰ যুটী থাইলেণ্ডৰ ডেছাপোল পুআৰাৰানুক্ৰহ আৰু চুপিচাৰা পয়েউচামপ্ৰাণৰ হাতত ২১-১৮, ১৪-২১, ৮-২১ ব্যৱধানত পৰাস্ত হয়।

০০০

সমাপ্ত